# মিচিং সমাজত ডাইনী (মৰুমনী) সন্দেহৰ মনস্তাত্ত্বিক দিশঃ (বিশেষ উল্লেখসহ লখিমপুৰ জিলা)

**ৰঞ্জিত টাকু**
**ঋতুপৰ্ণ দাস**

**মিচিং সকলৰ চমু পৰিচয় ঃ** ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তৰ অসম আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে অতীজৰে পৰা বসবাস কৰি অহা জনগোষ্ঠীসকলৰ ভিতৰত অসমৰ জনজাতি জনগাঁথনিৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী মিচিং সকল অন্যতম জনগোষ্ঠী। বাৰে ৰহণীয়া কলা, কৃষ্টি-সংস্কৃতি আৰু নিজস্ব ঐতিহ্য পৰম্পৰাৰে সমৃদ্ধ মিচিংসকল বৃহৎ মঙ্গোলীয় জনগোষ্ঠীৰ তিব্বতী-বৰ্মী শাখাৰ এটি প্ৰশাখা। মিচিংসকল বিশ্ব সৃষ্টি কৰ্তা "চেদৃ মেঃল" ৰ দ্বাৰা সৃষ্ট "দঃএিঃ-পঃল" অৰ্থাৎ সূৰ্য-চন্দ্ৰৰ পৰা সৃষ্টি হোৱা "তানি" (মানৱ) জনগোষ্ঠীৰ বংশধৰ বুলি নিজকে পৰিচয় দিয়ে। তেওঁলোকৰ আদি পুৰুষ "আবুতানি" (আবু-পিতৃ, তানি-মানৱ) অৰ্থাৎ "মানৱ জাতিৰ পিতৃ পুৰুষ।"

**মিচিংসকলৰ প্ৰধান বসতিস্থল ঃ** অসমৰ ধেমাজী, লখিমপুৰ, শোণিতপুৰ, যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা। অৰুণাচলৰ লোহিত, ডিবাংভেলি আৰু পূব চিয়াং জিলা। অৱশ্যে সাম্প্ৰতিক কালত দুই এক ব্যক্তিয়ে অসমৰ অন্য জিলাসমূহৰ উপৰিও অসমৰ বাহিৰৰ ৰাজ্যসমূহতো নিগাজীকৈ বসবাস কৰা পৰিলক্ষিত হৈছে।

**জনসংখ্যা ঃ** ২০০৬ চনৰ লোকপিয়ল অনুসৰি মিচিংসকলৰ জনসংখ্যা অসমত **১২,৫৭,৫৯৬** জন। বৰ্তমান মিচিং জনগোষ্ঠীৰ মুঠ জনসংখ্যা ১৪ লাখৰো অধিক বুলি অনুমান কৰিব পাৰি।

**উদ্দেশ্য** ঃ উদ্দেশ্যবিহীন অধ্যয়ন অথবা জীৱনে কোনো কাম সাফল্যমণ্ডিতভাৱে সমাপন কৰাত সহায় কৰিব নোৱাৰে। সেয়ে নিম্নলিখিত উদ্দেশ্যসমূহক আগত ৰাখি অধ্যয়নৰ কাম আগবাঢ়িছিলো।

(ক) মিচিং সমাজৰ ডাইনী (মৰুমনৌ) সন্দেহৰ মনস্তাত্ত্বিক দিশ সম্পৰ্কে অৱগত হোৱা।

(খ) সাম্প্ৰতিক সময়ত ডাইনী সম্পৰ্কত (মৰুমনৌ) মিচিং সমাজৰ মানসিক অৱস্থা সম্পৰ্কে অৱগত হোৱা আৰু প্ৰতিকাৰৰ বাবে পৰামৰ্শ দিয়া।

**পদ্ধতি** ঃ কোনো বিষয়ত নিখুঁতভাৱে সংশ্লেষণ আৰু বিশ্লেষণ দাঙি ধৰিবলৈ হ'লে কেৱল পদ্ধতিগত অধ্যয়নৰ জৰিয়তেহে সম্ভৱ। উক্ত কথাৰ প্ৰতি লক্ষ্য ৰাখি মই মোৰ অধ্যয়নত অনুসন্ধান আৰু পৰ্যবেক্ষণ পদ্ধতিৰ সহায় লৈ মূল্যৱান তথ্য তথা সমল সংগ্ৰহ কৰিছিলো।

**সমল** ঃ সমল সংগ্ৰহ কৰোঁতে মুখ্য উৎস (primary source) আৰু গৌণ উৎস (secondary source) ৰ সহায় লব লগা হৈছিল। অৱশ্যে মিচিং সমাজৰ ডাইনী সম্পৰ্কে তথ্য সংগ্ৰহ কৰোতে মৌখিক তথ্যৰ বাহিৰে লিখিত তথ্য পাবলৈ সক্ষম হোৱা নাছিলো। সেয়ে এই টোকাতো সম্পূৰ্ণৰূপে মৌখিক তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে।

**তদন্তৰ ফলাফল** ঃ মিচিং সমাজৰ 'ডাইনী' (মৰুমনৌ) সন্দেহৰ ওপৰত অধ্যয়ন কৰোঁতে নিম্নলিখিত মনস্তাত্ত্বিক দিশসমূহ লক্ষ্য কৰিছিলো।

**১.০১** ঃ মিচিং সমাজত ডাইনী (মৰুমনৌ) সন্দৰ্ভত বিশ্বাস কৰা প্ৰাৰম্ভিক পৰ্যায়টো হ'ল - যদি ডাইনী- গৰাকী- বা জন কোনোবা মানুহৰ প্ৰতি চকু যায় অৰ্থাৎ লোভ লাগে, সেই মানুহজনৰ পিন্ধা বা ব্যৱহাৰ কৰা কাপোৰ পালে উক্ত ব্যক্তিজনৰ মৃত্যু অনিবাৰ্য।

**১.০২** ঃ ডাইনী গৰাকী বা জন ব্যক্তিজনৰ বা মানুহজনৰ ব্যৱহাৰ কৰা কাপোৰ নহ'লেও চুলি পালেও মানুহজন ডাইনীৰ কবলৰ পৰা মুক্ত নহয়। অৰ্থাৎ মৃত্যু নিশ্চিত।

**১.০৩** ঃ মানুহৰ বৃহঃস্পতি গ্ৰহ বা গুৰু দশা বেয়া হ'লেও ডাইনী গৰাকীয়ে (মৰুমনৌ) বিভিন্ন পন্থা অৱলম্বন কৰি মানুহ হত্যা কৰিব পাৰে। যেনে চেঙেলী মাছ টেকেলীত ভৰাই ইয়াৰ সোপা বান্ধি থৈ দিয়ে। উক্ত কাম যিজন মানুহৰ নাম লৈ সম্পাদন কৰে, সেইজন ব্যক্তি বা মানুহৰ মৃত্যু হোৱাটো খাটাং। মাছটো যিমান দিন টেকেলীত শান্তিৰে তিষ্ঠি থাকিব পাৰে, সিমান দিন মানুহজনেও শান্তিৰে জীয়াই থাকিব পাৰে। যেতিয়া মাছটো খাদ্য অনাহাৰত

আৰু অক্সিজেন গেছৰ অভাৱত ছট্‌ফটাবলৈ আৰম্ভ কৰিব, তেতিয়াৰ পৰা মানুহজনৰ শাৰীৰিক মানসিক অৱস্থাও অৱনতি ঘটিবলৈ আৰম্ভ হয়। এটা সময়ত খাদ্যৰ তাড়নাত আৰু অক্সিজেনৰ অভাৱত মাছটোৱে মৃত্যুক আকোৱালী লৈ পেট ফুলিব। লগে লগে মানুহজনেও পেট ফুলি মৃত্যুক আকোৱালী ল'ব লগা হ'য়।

**১.০৪** ঃ ডাইনী গৰাকী পুখুৰীত বা নদীত নামি প্ৰায় বুকুলৈ পোৱাকে (নগ্ন অৱস্থাত) ভূতক উদ্দেশ্যি এটা ৰঙা মতা কুকুৰা ডিঙিকাটি পূজা কৰে। উক্ত পূজা যিজন মানুহৰ (ব্যক্তিৰ) নামলৈ সমাপন কৰে সেইজন ব্যক্তিৰ মৃত্যু হোৱাটো নিশ্চিত।

**২.০১** ঃ ডাইনী গৰাকী বা জনক (মৰুমনী) কেনেকৈ চিনিব পাৰি সেইলৈও মিচিং সমাজত অন্ধবিশ্বাস আছে। ডাইনী গৰাকী যেতিয়া নিয়মীয়াকৈ মানুহ খাবলৈ নাপায়, তেতিয়া ডাইনী গৰাকীৰ চকুৰ পানী অনবৰতে ওলাবলৈ আৰম্ভ হয়।

**২.০২** ঃ- ডাইনী গৰাকী ৰ'দৰ বা জোনৰ পোহৰত কেতিয়াও মানুহৰ আগত খোজ নাকাঢ়ে। কাৰণ ইতিমধ্যে যিমানখিনি মানুহ হত্যা কৰিছে, সেই সকল লোক ডাইনী গৰাকীৰ কান্ধত ওলমি ফুঁৰে। মিচিং সকলে বিশ্বাস কৰা মতে ডাইনীৰ কবলত অকালতে মৃত্যুক আকোৱালী লোৱা সকল স্বৰ্গ আৰু নৰকত স্থান নাপায়। সেয়ে ডাইনীৰ কবলত পৰি অকালতে মৃত্যুক আকোৱালী লোৱা মানুহৰ প্ৰেতাত্মাবোৰ ডাইনীৰ কান্ধতে ওলমি ফুঁৰে। সেয়ে ৰ'দৰ বা জোনৰ পোহৰত ডাইনী গৰাকী (মৰুমনী) মানুহৰ আগত খোজ কাঢ়িব নিবিচাৰে। কাৰণ ইতিমধ্যে অকালতে মৃত্যুক আকোৱালী লোৱা ব্যক্তিসকলৰ প্ৰতিচ্ছবি ডাইনী ছাঁত ধৰা দিয়ে।

**২.০৩** ঃ ডাইনী গৰাকীৰ চাল-চলন, আচাৰ-ব্যৱহাৰ স্বাভাৱিক মানুহৰ দৰে নহয়। মাজনিশা অকলশৰীয়াকৈ ঘূৰি ফুঁৰে। কৃত্ৰিম মৰম-স্নেহ প্ৰদৰ্শন কৰে ইত্যাদি।

**২.০৪** ঃ ডাইনী গৰাকীৰ কবলত পৰি অকালতে মৃত্যুক আকোৱালী ললে, পৰৱৰ্তী পৰ্যায়ত ধৰিব পৰাৰ বিশেষ চিনো মিচিং জনসমাজত প্ৰচলিত আছে। মিচিং সমাজত মানুহ মৰিলে মাটিত পোতাৰ প্ৰথা প্ৰচলিত। সেই অনুযায়ী ডাইনীৰ কবলত অকালতে মৃত্যুক সাবতি লোৱা ব্যক্তিজনৰ শৰদেহ মাটিত পোতা হয়। তেনেস্থলত এটা দিশ লক্ষ্য কৰিলে প্ৰমাণ পোৱা যায় যে য'ত শৰদেহ পোতা হয়, সেই স্থানৰ পৰা এটা ডাঙৰ ফুটা ওলাই আহে।

কাৰণ ডাইনী গৰাকী পোহপাল কৰা ভূত-প্ৰেত বিলাক ইতিমধ্যে মাটিৰ তলত পুতি পেলোৱা শৱদেহৰ কলিজা খাবলৈ তললৈ সোমাই যায়। আৰু মাটিৰ তলৰ পৰা ওলাই অহাৰ চিনস্বৰূপে উক্ত ফুটাটো থাকি যায়। অৱশ্যে এই চিন মৰাৰ তিনিদিনৰ ভিতৰত প্ৰত্যক্ষ বা দৃষ্টি গোচৰ হ'লেহে হ'ব।উল্লেখ্য যে বেমাৰত মৰিলে বা মৃত্যু হ'লে উক্ত ফুটা দৃষ্টিগোচৰ নহয়।

**২.০৫ ঃ** ইতিমধ্যে ডাইনীৰ ৰোষত পৰি নৰীয়াত পৰা ব্যক্তিজনৰ আচাৰ-ব্যৱহাৰ আৰু কথোপ-কথন নিৰীক্ষণ কৰিও ধৰা পেলাব পাৰি।কাৰণ যিজন ব্যক্তিৰ ওচৰত ডাইনীৰ নজৰ পৰা বুলি সন্দেহ কৰা হয়। সেই জন ব্যক্তিৰ আপত্তিজনক আচৰণ প্ৰদৰ্শন কৰা লক্ষ্য কৰা যায়। যেনে ৰাম নামৰ ডাইনী গৰাকী মোক শান্তিৰে শুব দিয়া নাই, খাব দিয়া নাই, মাৰিবলৈ আহিছে, কাটিবলৈ আহিছে আৰু মোৰ অংগ সমূহ ছেদন কৰিছে ইত্যাদি।

**৩.০১ ঃ** ডাইনী (মৰুমনৗ) উপদ্ৰৱ কৰা ঠাই হিচাপে চিহ্নিত গাঁও ঃ লখিমপুৰ জিলাৰ অন্তৰ্গত কলি গাঁও, এৰা দৰ্গে, ৰিজাৰ্ভ দৰ্গে, মেৰুগুলি, ২নং গেৰেকী, ৩ নং গেৰেকী, পামে গাওঁ, সোণালী টাকু, তেতেৰে গাওঁ, দুখীয়া চাপৰি, আলিমূৰ গাওঁ, বাঁহবাৰী আৰু কাংকান চাপৰি ইত্যাদি।

**৪.০১ ঃ** ডাইনীৰ (মৰুমনৗ) কবলৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় স্বৰূপে মিচিং সমাজে বিশ্বাস কৰে 'মিবু'। মিবুয়ে নিজৰ ঐশ্বৰিক গুণৰ বলত ডাইনীৰ কবলত পৰা ব্যক্তিজনক মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিব পাৰে। সেয়ে 'মিবু'ৰ উপস্থিতি অনুভৱ কৰা বা প্ৰত্যক্ষ কৰা মিচিং সমাজে আজিৰ তাৰিখতো তেখেতৰ ঐশ্বৰিক শক্তি আৰু (সমাজত) অগ্ৰণী ভূমিকা স্বীকাৰ কৰে। আৰু 'মিবু'ৰ অনুপস্থিতি অনুভৱ কৰে। কাৰণ তেখেতৰ ঐশ্বৰিক গুণৰ বলত ডাইনী সন্দেহৰ দৰে অন্ধবিশ্বাস তথা সামাজিক ব্যাধিৰ দ্বাৰা সংঘটিত অপ্ৰীতিকৰ পৰিস্থিতি চুড়ান্ত অৰ্থাৎ চৰম পৰ্যায়ত এতিয়ালৈ মিচিং সমাজত উপনীত হোৱা নাই। উল্লেখ্য যে 'মিবু' দঃঞিঃ - পঃল'ত (সূৰ্য-চন্দ্ৰক) বিশ্বাসী তানীসকলৰ ধৰ্মীয় পুৰোহিত। এই শ্ৰেণীৰ লোকসকলক 'ন্যিবু' বা 'ঞিব' বুলিও কয়। অৱশ্যে 'মিবু' ক পোনপটীয়াকৈ পুৰোহিতৰ লগত তুলনা কৰিব পৰা নাযায়। কিয়নো 'মিবু' পুৰোহিতৰ দৰে কেৱল ধৰ্মীয় কাম-কাজেই পৰিচালনা নকৰে। অন্যান্য কামৰো নেতৃত্ব বহন কৰে। তদুপৰি 'মিবু' বা মিবৃ'ৰ আছে প্ৰকৃতি প্ৰদত্ত এক দৈৱিক শক্তি। যি শক্তি পুৰোহিতৰ গাত নাই। সেই কাৰণে 'মিবু'ৰে দৈৱিক শক্তিৰে শক্তিবান হৈ পৰ্বত-পাহাৰ, নৈৰ জলাধাৰ

পাৰ হৈ জন্তুৰ ৰাজ্যত জন্তু হৈ, পক্ষীৰ ৰাজ্যত পক্ষী হৈ আত্মাৰ লগত কথা পাতিব পাৰে। অপায়-অমঙ্গলৰ কাৰণ সুধিব পাৰে। আৰু নিৰাময়ৰ পথৰো সন্দান দিব পাৰে। সেয়ে পুৰুষানুক্ৰমে পুৰোহিতৰ পুত্ৰ পুৰোহিত হ'ব পাৰিলেও 'মিবু'ৰ পুত্ৰ 'মিবু' হ'ব নোৱাৰিব পাৰে। কাৰণ 'মিবু' হ'বলৈ হ'লে দেৱতাৰ আশীৰ্বাদৰ প্ৰয়োজন হয়। সেয়ে ইচ্ছা কৰি কোনো ব্যক্তিয়ে 'মিবু' হ'ব নোৱাৰে।

**৪.০২** ঃ বৰ্তমান সময়ত যি অঞ্চলত বা গাঁৱত ডাইনী সন্দেহ ঘনীভূত হয়; সেই অঞ্চলৰ জনতাই ৰাতি পহৰা দিবলৈ গাঁওৰক্ষী বাহিনী গঠন কৰি দিয়ে। গাঁৱৰ গাওঁবুঢ়া, ডেকা বৰা , তিনি বৰাক সেই গধুৰ দায়িত্ব অৰ্পন কৰে। গাওঁবুঢ়া, ডেকা বৰা আৰু তিনি বৰাই গাঁৱৰ সাহসীয়াল যুৱকক লৈ উক্ত গধুৰ দায়িত্ব মূৰ পাতি লয়। তেওঁলোকৰ পহৰা দিয়া কাম সহজসাধ্য কৰি তুলিবলৈ প্ৰতিটো ঘৰৰ চাৰিও দিশ (ওখকৈ) বাঁহৰ জেওৰা দিয়া হয়।

**৫.০১** ঃ মিচিং সমাজত যাদু আৰু তন্ত্ৰ-মন্ত্ৰৰো বিশ্বাস আছে। এই তান্ত্ৰিক বিদ্যা, এজনে আন এজনলৈ অতি কৌশলৰে হস্তান্তৰ কৰে। মন্ত্ৰ মূলতঃ দুবিধ। এবিধ মানৱ কল্যাণকাৰী আৰু আনবিধ অপকাৰী। এজন মানুহে যেতিয়া মানুহৰ কল্যাণাৰ্থে এজন তান্ত্ৰিকৰ পৰা তেনে মন্ত্ৰ দিবলৈ অনুৰোধ কৰে, তেতিয়া অপকাৰী মন্ত্ৰবোৰকো লবলৈ বাধ্য কৰোৱা হয়। যেনে জৰা-ফুকা কৰি দাঁতৰ পোক সৰোৱা, সৰ্প দংশনৰ পৰা মানুহক ৰক্ষা কৰা গা-বিষ আৰু মূৰৰ বিষ নাইকীয়া কৰা আদি উপকাৰী মন্ত্ৰ। অহিত চিন্তা কৰা সকলৰ বাবে লাভাৰান্বিত হ'লেও পৰোপকাৰ বিচৰাসকলে বাধ্যত পৰি মানুহৰ ক্ষতিকাৰী মন্ত্ৰবোৰো ল'বলগীয়াত পৰে। অপকাৰী মন্ত্ৰবোৰ হ'ল ক্ৰমে টেকেলী বান, বায়ুবান, বৰুণ বান আৰু অগ্নিবান ইত্যাদি। টেকেলী বানত মানুহজনৰ পেট ফুলি উঠে। বায়ু বানতঅলিয়া - বলিয়া হয়। আৰু অগ্নি বানত পেট গৰম হৈ দেহ-মন পুৰি যোৱা অৱস্থা হয় বুলি বিশ্বাস কৰে। উল্লেখ্য যে এই তান্ত্ৰিক মন্ত্ৰৰ দ্বাৰা বশ কৰি ভূত-পিশাচো ৰাখিব পাৰে। নৰ ৰক্ত পিপাসু পিশাচবোৰে বহু দিন তেজ পিবলৈ নাপালে মালিকক হাৰাশাস্তি কৰি মাৰে। পৰিণাম স্বৰূপে ইচ্ছা নাথাকিলেও তান্ত্ৰিকজনে মন্ত্ৰ আৰু পিশাচৰ সহায়ত মানুহ মাৰিবলৈ বাধ্য হয়। শুনিবলৈ পোৱা মতে, 'মানুহ খোৱা' তান্ত্ৰিকবোৰৰ কান্ধত তেওঁ মৰা মানুহৰ প্ৰেতাত্মাবোৰ বহি থাকে। সেইবোৰ হেনো পানীত দেখা পায়। সেইকাৰণে তেনে তান্ত্ৰিকবোৰে মানুহৰ আগত কেতিয়াও পানীৰ কাষলৈ নাযায়। আৰু দলং পাৰ নহয়। মিচিং সমাজত প্ৰচলিত বিশ্বাস মতে মন্ত্ৰ বা বান মাৰি এজন মানুহক মাৰিবলৈ হ'লে

মানুহজনৰ ব্যৱহাৰ কৰা এডোখৰ কাপোৰ অথবা ভৰিৰ খোজৰ মাটি অলপ পাব লাগিব। তেহে মানুহ মাৰিব পাৰে। তাৰোপৰি এজন মানুহক মৰাৰ পিছত মৃতকৰ ‘আগ’ বা কবৰৰ পৰা যাদুকৰজনে মাটি এচপৰা আনিবই লাগিব। অন্যথা তেওঁৰ নিজৰে বিপদ অনিবাৰ্য্য। সেয়ে সন্দেহজনক ভাৱে মানুহ মৰিলে সেইদিনা গাঁৱৰ ৰাইজে কবৰত পহৰা দিয়ে। তান্ত্ৰিকজনে সাপ, নেউল আদি ৰূপ লৈ মাটি সংগ্ৰহৰ বাবে চেষ্টা কৰে। এই কাৰ্যত তান্ত্ৰিকজনৰ বিফল হ’লে নিজৰে মৃত্যু অনিবাৰ্য্য হৈ পৰে।

**৬.০১ ঃ** ডাইনী (মৰুমনৌ)ৰ সন্দেহৰ পৰিণতিস্বৰূপে দুই এক বিক্ষিপ্ত ঘটনাৰ বাহিৰে, মিচিং সমাজত ডাইনী হত্যাৰ তথ্য এতিয়ালৈ পোৱা নাই। সেই সন্দৰ্ভত আমাৰ তদন্ত কালতো মিচিং সমাজক ডাইনী হত্যাৰ পৰিসংখ্যাত স্থান তালিকাভূক্ত কৰিবলৈ সক্ষম নহ’লো। কেৱল ডাইনী সন্দেহৰ কিছু মনস্তাত্বিক দিশৰ বাহিৰে লখিমপূৰ জিলাৰ অন্তৰ্গত যিকেইখন গাঁৱৰ নাম আমি ইতিমধ্যে উল্লেখ কৰি আহিছো উক্ত গাৱঁবোৰতো ডাইনী হত্যাৰ দৰে কোনো ঘটনা সংঘটিত হোৱাৰ ইতিহাস উদঘাটন কৰিবলৈ সক্ষম নহলো। কাৰণ ইতিমধ্যে ‘মিবু’ৰ অগ্ৰণী ভূমিকা উল্লেখ কৰি আহিছো ঠিক সেইদৰে বৰ্তমানেও গাঁৱৰ গাঁওবুঢ়া, ডেকা বৰা, তিনি বৰাই অতি সুশৃংখলিত ভাবে যিজন ব্যক্তিক ডাইনী (মৰুমনৌ) বুলি সন্দেহৰ ঘনীভূত হয়; সেই ব্যক্তিজনৰ ওপৰত ঘূৰণীয়া ৰাইজমেল আয়োজন কৰে। আৰু অতি সুক্ষ্ম বিচাৰ-বিশ্লেযেণেৰে এটা সুস্থিৰ সিদ্ধান্ত গ্ৰহণত সহায় কৰে। ৰাইজেও তেওঁলোকৰ চুড়ান্ত-ৰায়ৰ প্ৰতি সন্মান জনায়। এই প্ৰথা মিচিং সমাজত প্ৰচলিত হৈ আহিছে। এই প্ৰথা অনুযায়ী ৰাইজেও ৰাইজৰ বিভিন্ন ঘটনা পৰিঘটনাৰ বিচাৰ-বিশ্লেষণৰ সৰ্বোচ্চ ক্ষমতা তেওঁলোকৰ ওচৰতে অৰ্পন কৰাৰ নজিৰ পৰিলক্ষিত হয়। সেয়ে তেওঁলোকেও ‘মিবু’ৰ পিছতে ডাইনী সন্দেহৰ দৰে সামাজিক ব্যাধিৰ ওপৰত এতিয়ালৈ কোনো বৈজ্ঞানিক বিচাৰ-বিশ্লেষণ দাঙি ধৰিব পৰা নাই। মিচিং পণ্ডিতলোকেও বৰ্তমানলৈ ডাইনী (মৰুমনৌ) সন্দেহৰ সপক্ষে ৰাইজৰ ওচৰত কোনো মতামত দাঙি ধৰিব পৰা নাই। সম্ভৱত সেইকাৰণে মিচিং সমাজে ‘ডাইনী’ হত্যাৰ দৰে সামাজিক ব্যাধিৰ পৰা আতঁৰি থাকিবলৈ সক্ষম হৈছে। অৱশ্যে আমাৰ পূৰ্বপুৰুষ সকলৰ দিনত ডাইনী সন্দেহৰ কি মনোভাব বা পৰিবেশ আছিল, সেই সম্পৰ্কে সবল তথ্য আৰু লিখিত ইতিহাস নথকাৰ কাৰণে লিখক হিচাপে ডাইনী সন্দেহৰ দৰে সামাজিক ব্যাধি পূৰ্বপুৰুষ সকলে

কিদৰে দমন কৰিছিল বিস্তৃত ভাৱে দাঙি ধৰিবলৈ সক্ষম নহ'লো। বৰ্তমানৰ বুঢ়া-মেথা আৰু বিদ্বৎ সমাজে জনোৱামতে ডাইনী (মৰুমনী) সন্দেহ মিচিং সমাজত তাহানি যুগৰে পৰা প্ৰচলিত। যদিও ডাইনী হত্যাৰ তথ্য পোৱা নাযায়।

**৭.০১** ঃ বৰ্তমান শিক্ষাই মিচিং সমাজলৈও পোহৰ বিলাবলৈ সক্ষম হৈছে। কলা, বিজ্ঞান আৰু বাণিজ্য আৰু অন্যান্য মাধ্যমত শিক্ষা গ্ৰহণেৰে মিচিং সমাজেও বৈজ্ঞানিক বিচাৰ-বিশ্লেষণ, যুক্তি-তৰ্ক ইত্যাদিৰ ভেটি মজুত কৰিবলৈ সক্ষম হৈছে। সেয়ে আজি যিকোনো বিষয়ৰ ওপৰত ঘণীভূত অন্ধবিশ্বাস, কু-সংস্কাৰ ইত্যাদি বৈজ্ঞানিক চিন্তা-চৰ্চাৰে বিচাৰ-বিশ্লেষণ কৰি সমস্যাৰ সমাধান বিচাৰে। য'ত যুক্তি তৰ্ক আৰু বৈজ্ঞানিক বিচাৰ-বিশ্লেষণ দাঙি ধৰিব নোৱাৰে তাত সাৰ্বজনীনতাৰ ভেটি স্থাপন কৰিব নোৱাৰে। সেই কথা প্ৰত্যেক শিক্ষিত মিচিঙে অনুভৱ কৰে। সেয়ে পূৰ্বৰ তুলনাত বৰ্তমান মিচিং সমাজত ডাইনী সন্দেহৰ দৰে সামাজিক ব্যাধিৰ পৰিমাণ বহুগুণে নাইকীয়া হৈছে। সেয়ে প্ৰত্যেক শিক্ষিত মিচিঙে মিচিং সমাজত ডাইনী সন্দেহৰ দৰে সামাজিক অন্ধবিশ্বাস নাই বুলিহে কব বিচাৰে।

**৮.০১** ঃ (লিখকৰ মন্তব্য) তদন্ত কালত গম পোৱা মতে মিচিং সমাজত যাদু-মন্ত্ৰ কৰাবোৰকো 'মৰুনাম' বুলিয়ে কয়। অৱশ্যে 'মৰুনাম' যাদু মন্ত্ৰতকৈ সম্পূৰ্ণ বেলেগ। 'মৰুনাম' মানে বিষাক্ত দ্ৰব্য খুৱাই তিল তিলকৈ মানুহ এজনক মাৰি পেলোৱা কাৰ্য। এনেদৰে বিহ খুৱাই মানুহ মৰা পৰম্পৰা মানৱ সমাজত বহু পুৰণি। মহাকাব্য আৰু জনশ্ৰুতি সকলোতে এই কথা প্ৰকাশ। সেয়ে মিচিং সমাজত প্ৰচলিত 'মৰুনাম' অন্ধবিশ্বাস নহয়। কাৰণ খাদ্যত বিষাক্ত দ্ৰব্য মিহলি হ'লে মানুহ মৰিবই। মিচিং সমাজতো তেনেকুৱা ঘটনা ইতিমধ্যে ঘটি গৈছে। জানিব পৰা মতে তামোলৰ লগত , আপং, ভাতৰ লগত বিহ মিহলাই দি 'মেৰুনাম' কাৰ্য সংঘটিত কৰে। তিনি দশকমান আগতে এনে অমানবীয় কাৰ্যৰদ্বাৰা জেঙেৰাইমুখ, ঢকুৱাখনা, লখিমপুৰ আদি মিচিং অধ্যুষিত অঞ্চলত বহু নিৰপৰাধী মানুহ অকালতে মৃত্যুক সাবটি ল'বলগা হৈছে। এনে 'মৰুনাম' কৰ্মত জড়িত থকা বুলি সন্দেহ কৰা লোকক সমাজচ্যুত কৰা তথ্যও পোহৰলৈ আহিছে।

বিহ খুৱালে মানুহ মৰিব পাৰে। কিন্তু বিহ খুওৱা বুলি এজন মানুহক কেৱল সন্দেহৰ বশবৰ্তী হৈ জীৱন্তে মাৰি পেলোৱাটো সভ্য সমাজৰ কাম হ'ব নোৱাৰে। উপযুক্ত প্ৰমাণ পালে আইনমতে বিচাৰ হ'ব লাগে। আনহাতে ভূত-প্ৰেত পঠিয়াই, যাদু-মন্ত্ৰৰে মানুহ মাৰিব পাৰে বুলি ভবাটো অন্ধবিশ্বাসৰ

বাহিৰে আন একো হ'ব নোৱাৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞানৰ অভূতপূৰ্ব সফলতা, মানৱ সভ্যতা সংস্কৃতিৰ অকল্পনীয় পৰিবৰ্তনৰ সময়ত, এনে পশ্চাদগমনে সমগ্ৰ মানৱ জাতিৰ বাবেই এক ভাবুকি স্বৰূপ। উল্লেখ্য যে মিচিং সমাজত ডাইনী (মৰুমনৌ) সন্দেহত বৰ্তমানলৈ ডাইনী হত্যাৰ দৰে অমানৱীয় ঘটনা সংঘটিত হোৱাৰ তথ্য পোহৰলৈ অহা নাই। অৱশ্যে ডাইনী (মৰুমনৌ) সন্দেহৰ পৰিমান দ্ৰুত গতিত বাঢ়ি গ'লে ভৱিষ্যতে মিচিং সমাজতো ডাইনী (মৰুমনৌ) ৰ সন্দেহত নীৰিহ মানুহক ডাইনী (মৰুমনৌ) সজাই হত্যা কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

**৯.০১** ঃ (প্ৰতিকাৰৰ উপায়) শিক্ষাই সামাজিক বংশগতিৰ অসামাজিক গুণবোৰ পৰিশোধন কৰিব পাৰে। ইতিমধ্যে শিক্ষাই মানৱজাতিক বৈজ্ঞানিক চিন্তা-চৰ্চা, ধ্যান-ধাৰণা আৰু সভ্যতাৰ গতিত আৰোহণ কৰাত সহায় কৰিছে। সেয়ে শিক্ষা অবিহনে কোনো জাতি বা দেশ উন্নতি, অগ্ৰগতি, প্ৰগতি আৰু শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰে। গতিকে জাতিৰ মেৰুদণ্ডস্বৰূপ আৰু দাপোণস্বৰূপ শিক্ষা সকলো শ্ৰেণীৰ লোকক বৰ্ণ বৈষম্য, লিংগ বৈষম্য আৰু ধৰ্মীয় ভেদাভেদ পৰিহাৰ কৰি প্ৰদান কৰিব লাগিব। অৱশ্যে এই ক্ষেত্ৰত ভাৰত চৰকাৰে স্বাধীনতা অৰ্জনৰ পিছৰে পৰা বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে, যদিও বিভিন্ন কাৰণত সকলো শ্ৰেণীৰ লোকক সাক্ষৰ কৰি তুলিব পৰা নাই। যাৰ পৰিপ্ৰেক্ষিতত এতিয়াও হাজাৰ হাজাৰ লোক বিনামূলীয়া বাধ্যতামূলক সাৰ্বজনীন প্ৰাথমিক শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত শোষিত হৈ থাকিব লগা হৈছে। ইয়াৰ ফলস্বৰূপে ২০০৯ বৰ্ষটো ভাৰত চৰকাৰে শিক্ষা অধিকাৰ আইন হিচাপে ঘোষণা কৰিছে। এই অধিকাৰ আইনখনেও গুণগত প্ৰাথমিক শিক্ষা উপলৰ্দ্ধত সাধাৰণ ৰাইজক কিমান দূৰ উপকৃত কৰিব সেয়া সময়ে কব। যা হওঁক চৰকাৰে গুণগত, পৰিমাণগত আৰু বিজ্ঞানভিত্তিক শিক্ষা প্ৰদানেৰে সাধাৰণ ৰাইজৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব লাগিব। অন্যথা সমাজ ব্যৱস্থাত শিপাই থকা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আতঁৰ কৰা সম্ভৱ নহ'ব।

নিম্নলিখিত দিশসমূহ চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন, বিদ্বৎ সমাজ আৰু শিক্ষক সমাজে সততা আৰু নিষ্ঠাৰে ৰূপায়ন কৰিব পাৰিলে জনজাতীয় সমাজত শিপাইথকা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ বহুগুণে নাইকিয়া কৰিব পাৰিব। যেনে -

* জনজাতীয় অধ্যুষিত অঞ্চলবোৰত উন্নত স্বাস্থ্য সেৱা কেন্দ্ৰ স্থাপন কৰি উন্নত চিকিৎসা সেৱা প্ৰদান কৰিব পাৰিলে ডাইনী (মৰুমনৌ) সন্দেহৰ পৰিমাণ হ্ৰাস কৰিব পাৰিব।

* বিজ্ঞানভিত্তিক শিক্ষা প্ৰদানৰ জৰিয়তে শৰীৰতত্ত্ব সম্পৰ্কে সাধাৰণ ৰাইজক জ্ঞান দিব পাৰিলে ডাইনী (মৰুমনী) ৰ দৰে সামাজিক ব্যাধি নাইকীয়া কৰিব পাৰিব।
* অনুন্নত অঞ্চল হিচাপে চিহ্নিত জাতি জনজাতি অধ্যুষিত অঞ্চলবোৰৰ যাতায়ত ব্যৱস্থা উন্নত কৰি সাধাৰণ ৰাইজৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব পাৰিলেও ডাইনী হত্যাৰ দৰে সামাজিক ব্যাধি, কু-সংস্কাৰ আৰু অন্ধবিশ্বাস হ্ৰাস কৰিব পাৰিব।
* ডাইনী হত্যাৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰা আৰু ইয়াৰ যথোপযুক্তভাৱে ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰা।
* চৰকাৰে স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা জনসজাগতা কাৰ্যসূচী ৰূপায়ন কৰিব পাৰে। যেনে - বক্তৃতানুষ্ঠান, কৰ্মশালা, আলোচনা চক্ৰ আৰু বাটৰ নাট ইত্যাদি।
* গৱেষকস্বৰূপ, পথপ্ৰদৰ্শকস্বৰূপ আৰু পৰামৰ্শদাতাৰূপে খ্যাত শিক্ষক সমাজে উন্নত মানদণ্ডৰ গৱেষণাৰ কাম সম্পাদন কৰি বৈজ্ঞানিক তত্ত্ব আৰু সূত্ৰ আৱিষ্কাৰ কৰিব পাৰে। যাতে সাধাৰণ ৰাইজ সামাজিক ব্যাধিৰ বিৰুদ্ধে যুজ দিব পৰা মানসিকতা অৰ্জন কৰিব পাৰে।
* জনজাতীয় সমাজৰ ভাষা-সাহিত্য, কলা-কৃষ্টি, সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰা বিকাশত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে।
* এই দিশৰ অগ্ৰগতি আৰু প্ৰগতিত বিদ্বৎ সমাজেও উল্লেখযোগ্য দিহা পৰামৰ্শৰে চৰকাৰ আৰু জনজাতীয় সমাজৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰিব পাৰে।
* সমাজসেৱকৰূপে খ্যাত চিকিৎসক সমাজ আৰু চিকিৎসা জগতত কৰ্মৰত কৰ্মচাৰী সমাজেও জনজাতীয় সমাজলৈ সেৱা আগবঢ়াবৰ বাবে মানসিক আৰু শাৰীৰিকভাৱে প্ৰস্তুত থাকিব লাগিব।
* আধুনিকতাৰ লগত খাপ খোৱাবৰ বাবে বিদ্যুৎ আৰু যোগাযোগ ব্যৱস্থা উন্নত কৰিব লাগিব।
* চৰকাৰে জনজাতীয় সমাজৰ আৰ্থ-সামাজিক বিকাশ আৰু সাধাৰণ ৰাইজৰ কৰ্ম-সংস্থাপনৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰিব পাৰে, ইত্যাদি।

***সহায়ক গ্ৰন্থ ঃ-***

সদানন্দ পায়েং — মিচিং জনজাতি ঃ সমাজ আৰু সংস্কৃতি।